# Videsh Sampark Seminar at Bengaluru

February 26, 2020

---

# বাংগালুৰুত অনুষ্ঠিত হোৱা বিদেশ সম্পৰ্ক আলোচনাসভা

ফেব্ৰুৱাৰী 26, 2020

মাননীয় ৰাজ্যিক বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী ভি. মুৰলীধৰনৰ নেতৃত্বত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ এটি দল বাংগালুৰুত 26 ফেব্ৰুৱাৰী, 2020 তাৰিখে অনুষ্ঠিত হোৱা বিদেশ সম্পৰ্কৰ অন্তৰ্গত প্ৰচাৰ অনুষ্ঠানলৈ যায়। কৰ্ণাটক চৰকাৰৰ আইন, সংসদীয় পৰিক্ৰমা, আইন প্ৰণয়ন আৰু ক্ষুদ্ৰ জনসিঞ্চন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জে.চি. মধুস্বামীয়ে কৰ্ণাটক চৰকাৰৰ হৈ ৰাজ্য চৰকাৰৰ কিছু জ্যেষ্ঠ বিষয়া আৰু উদ্যোগীক প্ৰতিনিধিসকল সহিত এটি দলৰ নেতৃত্ব দিয়ে। নিয়োগ সংস্থা, কৰ্ণাটকৰ আন হিতাধিকাৰীসকল আৰু সংবাদ মাধ্যমে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে কৰ্ণাটক চৰকাৰৰ সহযোগত বাংগালুৰুত বিদেশ সম্পৰ্কৰ অন্তৰ্গত এই ৰাজ্যিক প্ৰচাৰ অনুষ্ঠান অনুষ্ঠিত কৰে |ৰাজ্যিক বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী ভি. মুৰলীধৰন আৰু কৰ্ণাটকৰ ৰাজ্যিক আইন মন্ত্ৰী শ্ৰী জে.চি. মধুস্বামীয়ে এই উদ্বোধনী অনুষ্ঠানৰ সাৰমৰ্ম ব্যাখ্যা কৰে।

হিতাধিকাৰীসকল আৰু ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ মাজত মন্ত্ৰণালয়ৰ কাৰ্যসূচীসমূহ সম্পৰ্কে সচেতনতা বৃদ্ধি কৰিববৰ বাবে এই অনুষ্ঠানত গম্ভীৰ চৰ্চা কৰা হয়। বাণিজ্য আৰু বিনিয়োগ বিষয়সমূহত এক নতুন পদক্ষেপেৰে বিভিন্ন উপস্থাপন কৰা হয়। বিভিন্ন প্ৰকাৰৰ হিতাধিকাৰীসকলৰ সৈতে কৰা মত-বিনিময়ে ৰাজ্যিক চৰকাৰ আৰু মন্ত্ৰণালয়ে কেনেদৰে এইক্ষেত্ৰসমূহত উদ্ভৱ হোৱা সমস্যাসমূহ সমাধান, কোনো ব্যৱস্থা হাতত ল'বলৈ আৰু উপযুক্ত উপায় অৱলম্বন কৰিবলৈ সমন্বয়তা বৃদ্ধি কৰিব পাৰে সেইবিষয়ে ভাৱিবলৈ এক সুযোগ দিয়ে।

মন্ত্ৰণালয়ে আহিবলগীয়া মাহবোৰত বিভিন্ন ৰাজ্যিক চৰকাৰসমূহৰ সহযোগিতাত ভালেসংখ্যক অনুষ্ঠান আয়োজন কৰিবলৈ পৰিকল্পনা কৰিছে।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 26, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release